2026

PHILOSOPHY

(Major)

Paper : PHI4400104 MJ

(Introduction to Western Philosophy)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

Answer either *in English* or *in Assamese.*

1. Answer the following as directed : 1×8=8

তলত দিয়াবোৰৰ নির্দেশানুযায়ী উত্তৰ লিখা :

(a) Who is the father of Philosophy?

দর্শনৰ জনক কোন ?

(b) Who is the author of the famous book, *The Problem of Philosophy*?

বিখ্যাত গ্ৰন্থ *The Problem of Philosophy* ৰ লেখক কোন ?

(c) Name the philosopher who is known by the novelist a 'God-intoxicated mystic'.

'ঈশ্বৰ আসক্ত ৰহস্যবাদী' হিচাবে আখ্যাত দার্শনিকজনৰ নাম লিখা।

(d) How many substances are admitted by Leibniz?

লাইব্নিজে কেইটা দ্রব্যক স্বীকাৰ কৰিছে?

(e) According to Hume, idea of causality derived from contiguity and succession/ necessary connection.

(Choose the correct answer)

হিউমৰ মতে, কার্যকাৰণৰ ধাৰণাটো অনুসংগ নিয়ম আৰু পাৰস্পর্য/অনিবার্য সম্বন্ধৰ পৰা পোৱা যায়।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(f) Who propounded scientific realism? (Locke/Berkeley/Hume)

(Choose the correct answer)

বৈজ্ঞানিক বাস্তৱবাদৰ প্রৱর্তক কোন? (ল'ক/বার্কলি/ হিউম)

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(g) The absolute for Hegel is God/Soul/ Substance.

(Choose the correct answer)

হেগেলৰ মতে, পৰম সত্তা হ'ল ঈশ্বৰ/আত্মা/দ্রব্য।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(h) What is the meaning of 'Tabula rasa'?

'Tabula rasa'ৰ অর্থ কি?

2. Answer any *six* of the following questions : 2×6=12

তলত দিয়া প্রশ্নসমূহৰ যি কোনো ছয়টাৰ উত্তৰ লিখা :

(a) State Plato's definition of Philosophy.

প্লেটোৰ দর্শনৰ সংজ্ঞাটো উল্লেখ কৰা।

(b) Define epistemology.

জ্ঞানবিদ্যাৰ সংজ্ঞা আগবঢ়োৱা।

(c) State two differences between primary quality and secondary quality.

মুখ্য গুণ আৰু গৌণ গুণৰ মাজৰ দুটা পার্থক্য উল্লেখ কৰা।

(d) What is 'mode' according to Spinoza?

স্পিনোজাৰ মতে 'পর্যায়' কি?

(e) Name four categories of knowledge.

জ্ঞানৰ চাৰিটা প্ৰবৰ্গৰ নাম লিখা।

(f) What do you understand by Innate Ideas?

অন্তৰ্জাত ধাৰণা বুলিলে কি বুজা?

(g) State two differences between perceptual space and conceptual space.

প্ৰত্যক্ষগত দেশ আৰু ধাৰণাগত দেশৰ মাজত দুটা পাৰ্থক্য লিখা।

(h) What are the two sources of our ideas according to Locke?

ল'কৰ মতে আমাৰ ধাৰণাসমূহ (ideas)ৰ দুটা উৎস কি কি?

(i) What are the two features of an a priori proposition according to Kant?

কাণ্টৰ মতে এটা অভিজ্ঞতাপূৰ্ব বচনৰ দুটা লক্ষণ কি কি?

(j) State two characteristics of naive realism.

সৰল বাস্তৱবাদৰ দুটা বৈশিষ্ট্য লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Briefly explain the nature of philosophy.

দৰ্শনৰ স্বৰূপ চমুকৈ ব্যাখ্যা কৰা।

(b) Write a short note on Axiology.

প্ৰমূল্যবিদ্যা সম্পৰ্কে এটা চমু টোকা লিখা।

(c) What is substance according to Spinoza?

স্পিনোজাৰ মতে দ্ৰব্য কি?

(d) Leibniz gave three principal grades of Monads. What are they?

লাইব্নিজে মনাডৰ তিনিটা মুখ্য স্তৰৰ কথা উল্লেখ কৰিছে। সেইবোৰ কি কি?

(e) What is causation according to Hume?

হিউমৰ মতে কাৰ্যকাৰণ সম্বন্ধ কি?

(f) What is Kant's view on Space and Time?

দেশ আৰু কাল সম্পৰ্কে কাণ্টৰ মতবাদ কি?

(g) Briefly explain rationalism as a theory of knowledge.

জ্ঞানৰ উৎপত্তি তত্ত্ব হিচাপে বুদ্ধিবাদক চমুকৈ বৰ্ণনা কৰা।

(h) Is Berkeley's idealism subjective or objective? Discuss.

বাৰ্কলিৰ ভাববাদ আত্মগত ভাববাদ নে বস্তুগত ভাববাদ? আলোচনা কৰা।

4. Answer any *two* of the following questions : 10×2=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা :

(a) What do you mean by philosophy? How is it related to Epistemology and Metaphysics?

দৰ্শন কাক বোলে? দৰ্শন জ্ঞানবিদ্যা আৰু অধিবিদ্যাৰ লগত কেনেদৰে সম্পৰ্কিত?

(b) Explain substance in philosophy of Descartes.

ডেকার্টৰ দৰ্শনৰ দ্ৰব্যৰ ধাৰণাটো ব্যাখ্যা কৰা।

(c) Discuss empiricism as a theory of knowledge.

জ্ঞানৰ উৎপত্তি-সম্পৰ্কীয় অভিজ্ঞতাবাদ মতবাদটো ব্যাখ্যা কৰা।

(d) Discuss Kant's critical theory as a theory of the origin of knowledge.

জ্ঞানৰ উৎপত্তি-সম্পৰ্কীয় কাণ্টৰ সবিচাৰবাদ মতবাদটো আলোচনা কৰা।

(e) What is realism? What are the characteristics of realism?

বাস্তৱবাদ কাক বোলে? বাস্তৱবাদৰ বৈশিষ্ট্যসমূহ কি কি?

★★★